অসম চৰকাৰ
জিলা দণ্ডাধীশৰ কাৰ্যালয়
হোজাইঃ শ্ৰীমন্ত শংকৰদেৱ নগৰ (অসম)
( দণ্ডাধীশ শাখা )

ই চি এফ নং ৭৩৩১৭/১২৭২ দিনাংক: ০৩/০৫/২০২৫

## নিষেধাজ্ঞামূলক আদেশ
(ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ধাৰা ১৬৩)

যিহেতু, মই মত পোষণ কৰিছোঁ যে, সমগ্ৰ হোজাই জিলাত ০৭/০৫/২০২৫ তাৰিখত অনুষ্ঠিত হব লগা পঞ্চায়ত নিৰ্বাচন ২০২৫ ৰ সময়ত শান্তি, নিৰাপত্তা ও সম্প্ৰীতি বজাই ৰখাৰ স্বাৰ্থত, ও এই কাৰ্য্যালয়ৰ পূৰ্বৰ চিঠি নং ই চি এফ নং ৭৩৩১৭/১১০৫, দিনাংক:০৩/০৪/২০২৫ ৰ ধাৰাবাহিকতা ৰক্ষা কৰি ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ধাৰা ১৬৩ জাৰী কৰাৰ প্ৰয়োজন আছে।

গতিকে, ইয়াৰ দ্বাৰা, মই শ্ৰী বিদ্যুৎ বিকাশ ভাগৱতী, অ.অ.সে., জিলা দণ্ডাধীশ, হোজাই জিলা ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ধাৰা ১৬৩ দ্বাৰা আৰোপিত ক্ষমতাৰ প্ৰয়োগ কৰি, হোজাই জিলাৰ সমুহ নাগৰিকৰ মাজত শান্তি, সম্প্ৰীতি বজাই ৰখাৰ স্বাৰ্থত আৰু লগতে মুক্ত আৰু নিকা পঞ্চায়ত নিৰ্বাচন-২০২৫ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত প্ৰযোজ্য থকা আৰ্হি নিৰ্বাচনী আচৰণ বিধি সঠিক ভাবে বাহাল ৰখাৰ স্বাৰ্থত, তলত দিয়া বিষয়সমূহ নিষিদ্ধ কৰাৰ নিষেধাজ্ঞা মূলক আদেশ জাৰী কৰিলোঁ।

১. ভোটগ্ৰহণ কেন্দ্ৰৰ কাষৰীয়া অঞ্চলৰ বাহিৰে সকলো ৰাজহুৱা স্থানত ৫ জন বা অধিক লোকৰ সমাগম নিষিদ্ধ।
২. নিৰ্বাচনী প্ৰচাৰ, সমাৰোহ অথবা ৰাজহুৱা সভা, অনুষ্ঠান ০৫-০৫-২০২৫ তাৰিখে বিয়লি ৪-৩০ বজাৰ পৰা সম্পূৰ্ণ নিষিদ্ধ, অৰ্থাৎ ০৭-০৫-২০২৫ তাৰিখে বিয়লি ৪.৩০ বজাৰ ভোটদান সমাপ্তিৰ পৰা গণনা কৰি পূৰ্বৰ ৪৮ ঘন্টা সময়ত সকলো প্ৰচাৰ নিষিদ্ধ।
৩. ৰাজনৈতিক কৰ্মী, দলীয় কৰ্মী, প্ৰচাৰ কৰ্মী, সমাৰোহ কৰ্মী, ইত্যাদিৰ উপস্থিতি যিকোনো সমষ্টিত নিষিদ্ধ, যি সমূহ সেই সমষ্টিৰ বাহিৰৰ অথবা সেই সমষ্টিৰ ভোটাৰ নহয়।
৪. ভোটদান সমাপ্তিৰ পৰা গণনা কৰি পূৰ্বৰ ৪৮ ঘন্টা সময়ত কোনো ধৰণৰ বাহনত উচ্চ স্বৰৰ শাব্দিক যন্ত্ৰ ব্যৱহাৰ নিষিদ্ধ।
৫. ভোটগ্ৰহণ কেন্দ্ৰৰ ২০০ মিটাৰ পৰিধিৰ ভিতৰত কোনো প্ৰাৰ্থী নাইবা ৰাজনৈতিক দলৰ দ্বাৰা প্ৰচাৰ, বুথ কাৰ্য্যালয় স্থাপন ০৫-০৫-২০২৫ ৰ পৰা ০৭-০৫-২০২৫ লৈকে নিষিদ্ধ থাকিব।
৬. প্ৰাৰ্থী অথবা ৰাজনৈতিক দলে প্ৰদান কৰা যিকোনো পৰিচয় নথি ইত্যাদি কেৱল শুদ্ধ বগা কাগজত হব , যত কোনো ধৰণৰ প্ৰতীক চিহ্ন অথবা প্ৰাৰ্থী বা দলৰ নাম নাথাকিব।
৭. পঞ্চায়ত নিৰ্বাচন-২০২৫ ৰ আৰ্হি আচৰণ বিধিৰ সকলো নিৰ্দেশনা মানি চলাটো বাধ্যতামূলক।

অৱশ্যে, ৰাজহুৱা স্থানত ব্যক্তিসমূহৰ সমাগমৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা ভোটগ্ৰহণৰ স্থান/দোকান/বজাৰ/ব্যৱসায়িক প্ৰতিষ্ঠান, পাৰ্টি, খেলপথাৰ, ছবিগৃহ, আৰু অন্য মনোৰঞ্জনৰ স্থান, শিক্ষা প্ৰতিষ্ঠান, বাছ আস্থান, সাধাৰণ কৰ্মস্থলী অথবা ব্যৱসায়ৰ ঠাই, বিবাহ অনুষ্ঠান, ও যিকোনো সম্প্ৰদায়ৰ ধৰ্মীয় অনুষ্ঠান, ৰাজহুৱা বা ব্যক্তিগত ইত্যাদিৰ ক্ষেত্ৰত প্ৰযোজ্য নহব।

তদুপৰি এই নিষেধাজ্ঞা, আৰক্ষী বাহিনী, সেনাবাহিনী, আৰু কৰ্তব্যৰত দণ্ডাধীশ, ন্যায়িক কাৰ্য্যবাহী, আৰু চৰকাৰী কামত নিয়োজিত ব্যক্তি, ও নিৰ্বাচন সংক্ৰান্তীয় কাম কাজত নিয়োজিত থকা ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য নহব।

পৰিস্থিতিৰ প্ৰয়োজনীয়তাৰ প্ৰতি নজৰ ৰাখি এই নিষেধাজ্ঞা ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ধাৰা ১৬৩ৰ অধীনত একপক্ষীয় ভাবে জাৰী কৰা হৈছে। যদিওবা, যিকোনো ক্ষুব্ধ ব্যক্তিয়ে এই নিষেধাজ্ঞাৰ শুধৰণি/ৰেহাই/সালসলনি/প্ৰত্যাহাৰৰ বাবে উপযুক্ত কৰ্তৃপক্ষৰ কাষ চাপিব পাৰিব।

**এই নিষেধাজ্ঞা তাৎক্ষণিক ভাবে দিনাংক ০৫-০৫-২০২৫ তাৰিখে বিয়লি ৪-৩০ বজাৰ পৰা দিনাংক ০৭-০৫-২০২৫ লৈ ভোটগ্ৰহণ সমাপ্ত নোহোৱা পৰ্য্যন্ত বাহাল থাকিব।**

এই নিষেধাজ্ঞা অমান্যকাৰী ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ২২৩ মতে দণ্ডনীয় বিবেচিত হব।

মোৰ হস্তাক্ষৰত আৰু ছিল মোহৰ মাৰি প্ৰদান কৰা হল।

**জিলা দণ্ডাধীশ**
District Magistrate
**হোজাই**
Hojai : Sankardev Nagar

**মেমো-ই চি এফ নং ৭৩৩১৭/১২৭২ (এ) দিনাংক: ০৩/০৫/২০২৫**

**প্ৰতিলিপি জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল-**

১) মুখ্য নিৰ্বাচনী বিষয়া, অসম, দিশপুৰ, গুৱাহাটী-০৬।

২) আয়ুক্ত সচিব, অসম চৰকাৰ, গৃহ আৰু ৰাজনৈতিক বিভাগ, অসম সচিবালয়,দিশপুৰ, গুৱাহাটী-০৬।

৩) সচিব, অসম ৰাজ্যিক নিৰ্বাচন আয়োগ, দিশপুৰ, গুৱাহাটী-০৬।

৪) জিলা আৰু সত্ৰ ন্যায়াধীশ, হোজাই, শ্ৰীমন্ত শংকৰদেৱ নগৰ।

**জ্ঞাতাৰ্থে ও বিহিত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল-**

১) মুখ্য কাৰ্যবাহী বিষয়া,হোজাই জিলা পৰিষদ।

২) আৰক্ষী অধীক্ষক,হোজাই।

৩) অতিৰিক্ত জিলা দণ্ডাধীশ (সকলো), হোজাই।

৪) কাৰ্যবাহী দণ্ডাধীশ (সকলো), হোজাই।

৫) জিলা তথ্য ও জনসংযোগ বিষয়া, হোজাই।

৬) প্ৰটʼকল বিষয়া, নিৰ্বাচন পৰ্য্যবেক্ষক, হোজাই/ লামডিং সম-জিলা।

৭) সকলো ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, হোজাই জিলা।

৮) জিলা তথ্য বিজ্ঞান বিষয়া, এন আই চি, হোজাই।

**জিলা দণ্ডাধীশ**
**হোজাই**
District Magistrate
Hojai : Sankardev Nagar